হাৰিয়ানা আৰু অন্যান্য

বনাম

বলৱান ইত্যাদি

ছেপ্টেম্বৰ ২, ১৯৯৯

(ন্যায়াধীশ জি. টি. নানাৱতী আৰু ন্যায়াধীশ এছ. এন. ফুকন)

*ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩- ধাৰা ৪৩২, ৪৩৩ আৰু ৪৩৩এ- যাবৎজীৱন কাৰাবন্দী- পূৰ্ব-পৰিপক্ক মুক্তি- ৰেমিশ্যনে অকালতে মুকলি কৰি দিয়াৰ অধিকাৰ নিহিত নকৰে- আজীৱন দোষীৰ আগতীয়াকৈ মুকলি কৰাৰ বাবে চৰকাৰে প্ৰণয়ন কৰা নিয়ম বা আঁচনিখন সংবিধানৰ ১৬১নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগৰ বাবে নিৰ্দেশনা হিচাপে গণ্য কৰা হ'ব- চৰকাৰী নীতি বা দোষী সাব্যস্ত হোৱাৰ সময়ত বলৱৎ নিৰ্দেশনা প্ৰযোজ্য নহয়- ইয়াৰ পৰিৱৰ্তে গোচৰটো বিবেচনাৰ বাবে অহাৰ সময়ত বলৱৎ থকা নীতিগত সিদ্ধান্ত বা নিৰ্দেশনাসমূহ প্ৰযোজ্য হ'ব- উপস্থাপন কৰে, যদি আজীৱন অপৰাধীয়ে ইতিমধ্যে ৰেহাই আঁচনিখনত উল্লেখ কৰা সময়ৰ বাবে শাস্তি ভোগ কৰিছে তেন্তে তেওঁৰ এক অধিকাৰ আছে যে, ভাৰতৰ সংবিধানৰ ১৬১ নং অনুচ্ছেদৰ অধীনত গোচৰটো বিবেচনা কৰাৰ বাবে কাৰাগাৰ কৰ্তৃপক্ষৰ দ্বাৰা ৰাজ্যপালৰ আগত উত্থাপন কৰিব পাৰিব- ভাৰতীয় সংবিধান- ১৬১ নং অনুচ্ছেদ।*

উত্তৰদাতা- যাবৎজীৱন দোষীসকলে তেওঁলোকৰ পূৰ্ব-পৰিপক্ক মুক্তিৰ বাবে উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে কয় যে, পূৰ্ব-পৰিপক্ক মুক্তিৰ অধিকাৰ নিৰ্ণয় কৰাৰ বাবে বিচাৰ আদালতৰ দ্বাৰা উত্তৰদাতাক দোষী সাব্যস্ত কৰাৰ সময়ত বলৱৎ চৰকাৰী নীতি/

নির্দেশনা বিবেচনা কৰাটো প্ৰাসংগিক আৰু ৰাজ্য চৰকাৰে পৰৱৰ্তী নীতিগত সিদ্ধান্ত আৰু নির্দেশনাসমূহ প্ৰয়োগ কৰাত সঠিক নাছিল, যিবোৰ তেওঁলোকৰ গোচৰটো বিবেচনাৰ বাবে অহাৰ সময়ত বলৱৎ আছিল। উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক তেওঁলোকৰ আবেদনসমূহ পুনৰ বিবেচনা কৰিবলৈ নির্দেশ দিয়ে। সেয়েহে এই আপীলসমূহ।

এই আপীলসমূহৰ অনুমতি প্ৰদান কৰি আদালতে কয়ঃ

উপস্থাপন কৰে- **১.১** ৰিমিচনৰ দ্বাৰা এজন আজীৱন অপৰাধীয়ে পূৰ্ব-পৰিপক্কতাত মুক্তি পোৱাৰ অধিকাৰ লাভ নকৰে। কিন্তু, যদি চৰকাৰে কোনো নিয়ম প্ৰস্তুত কৰিছে বা এনে দোষীসকলক সোনকালে মুকলি কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিছে, তেন্তে সেই নিয়ম বা আঁচনিসমূহক সংবিধানৰ অনুচ্ছেদ **১৬১**ৰ অধীনত নিজৰ ক্ষমতা প্ৰয়োগৰ বাবে নির্দেশনা হিচাপে গণ্য কৰিব লাগিব। [২১৪-ই]

**১.২** কোনো আজীৱন অপৰাধীয়ে বৈধভাৱে দাবী কৰিব নোৱাৰে যে, তেওঁৰ প্ৰাক-পৰিপক্ক মুক্তিৰ গোচৰটো চৰকাৰৰ নীতি/নির্দেশনা অনুসৰি বিবেচনা কৰা উচিত যিটো তেওঁ দোষী সাব্যস্ত হোৱাৰ তাৰিখত বলৱৎ আছিল, ঘোষণা কৰা অনুসৰি ৰেহাই লাভ কৰাৰ আৰু সেই অনুসৰি মুকলি কৰি দিয়াৰ অধিকাৰ লাভ কৰিছিল। যদি, প্ৰাসঙ্গিক সময়ত বলৱৎ চৰকাৰী নীতি/নির্দেশনা অনুসৰি যাবৎজীৱন অপৰাধীয়ে ইতিমধ্যে নীতিগত সিদ্ধান্ত/নির্দেশত উল্লেখ কৰা সময়ৰ বাবে শাস্তি ভোগ কৰিছে, তেন্তে তেওঁ লাভ কৰা একমাত্ৰ অধিকাৰ হ'ল- সংবিধানৰ **১৬১** নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগৰ কথা বিবেচনা কৰাৰ বাবে কাৰাগাৰ কৰ্তৃপক্ষৰ দ্বাৰা তেওঁৰ গোচৰটো সময়মতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ আগত উত্থাপন কৰাৰ অধিকাৰ। সাধাৰণতে, যেতিয়া কোনো কৰ্তৃপক্ষক ইয়াৰ ক্ষমতা প্ৰয়োগ কৰিবলৈ আহ্বান জনোৱা হয় যিটো, সেই সময়ত প্ৰচলিত আইনী

স্থিতি আৰু চৰকাৰৰ সিদ্ধান্ত/নির্দেশনাৰ সৈতে ধাৰাবাহিকভাৱে কৰিব লাগিব। অৱশ্যে, এজন যাবৎজীৱন অপৰাধীয়ে যাতে ৰেহাই আঁচনিৰ অধীনত উপলব্ধ কোনো সুবিধা হেৰুৱাব নোৱাৰে, যাক নির্দেশনা হিচাপে গণ্য কৰিব লাগিব, ৰাজ্য চৰকাৰক তেওঁৰ গোচৰটো সংবিধানৰ ১৬১ নং অনুচ্ছেদৰ অধীনত ৰাজ্যপালৰ আগত উত্থাপন কৰাৰ প্ৰয়োজনীয় তাৰিখটো গোচৰবোৰ বিবেচনা কৰাৰ প্ৰাসংগিক তাৰিখ হিচাপে বিবেচনা কৰিবলৈ নির্দেশ দিয়াটো ন্যায়সংগত আৰু উপযুক্ত হ'ব। [২১৪-ই-এইচ; ২১৫-এ]

*গোপাল বিনায়ক গডছে বনাম মহাৰাষ্ট্ৰ ৰাজ্য,* (১৯৬১) ৩ এছ. চি. আৰ. ৪৪০ আৰু *মাৰু ৰাম বনাম ভাৰত সংঘ,* (১৯৯১) ১ এছ. চি. চি. ১০৭-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

১.৩. ৰাজ্য চৰকাৰক উপৰোক্ত আইনী স্থিতি অনুসৰি ধাৰা ৪৩৩-এ ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অধীনত উত্তৰদাতাৰ আবেদনসমূহ পুনৰ বিবেচনা কৰিবলৈ নির্দেশ দিয়া হৈছে। (২১৫-বি)

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ- ফৌজদাৰী আপীল নং ৯/ ১৯৯৮ ইত্যাদি।

পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ চি.আৰ.এল. এম. নং ৪৩৩৬/ ১৯৯৭ৰ ০৮-০৫-৯৭ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

প্ৰেম মালহোত্ৰা, ঋষি মালহোত্ৰা, যশবীৰ মালিক, (পি. পানেশ্বৰন, শ্ৰীমতী কামিনী জয়ছৱাল, ভাল সিং মালিক, অশোক কুমাৰ সিং, মনোজ স্বৰূপ) (এন. পি.), এছ. মুৰ্লিধৰ, শ্ৰীমতী নীৰু বৈদ, কে. কে. মোহন, ৰাও ৰঞ্জিত আৰু শ্ৰীমতী কে. সৰদা দেৱী উপস্থিত দলসমূহৰ হৈ।

আদালতৰ ৰায় প্ৰদান কৰা হৈছিল।

**ন্যায়াধীশ জি. টি. নানাৱতী**, এই আপীলসমূহ পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ "যাৱৎজীৱন দোষী"ৰ দ্বাৰা তেওঁলোকৰ পূৰ্ব-পৰিপক্ক মুক্তিৰ বাবে দাখিল কৰা লেখ আবেদনৰ ৰায়ৰ পৰা উদ্ভৱ হয়। উচ্চ ন্যায়ালয়ে কয় যে, পূৰ্ব-পৰিপক্ক মুক্তিৰ বাবে তেওঁলোকৰ অধিকাৰ নিৰ্ণয় কৰাৰ বাবে বিবেচনা কৰিবলগীয়া প্ৰাসংগিক কথাটো আছিল- বিচাৰ আদালতৰ দ্বাৰা তেওঁলোকক দোষী সাব্যস্ত কৰাৰ সময়ত বলৱৎ চৰকাৰী নীতি/নিৰ্দেশনা আৰু ৰাজ্য চৰকাৰে পৰৱৰ্তী নীতিৰ সিদ্ধান্ত আৰু নিৰ্দেশনাবোৰ প্ৰয়োগ কৰাত সঠিক নাছিল, যিবোৰ তেওঁলোকৰ গোচৰবোৰ বিবেচনাৰ বাবে লোৱাৰ সময়ত বলৱৎ আছিল। এই দৃষ্টিভংগী গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে লেখ আবেদনসমূহৰ অনুমতি দিয়ে আৰু ৰাজ্য চৰকাৰক তেওঁলোকৰ আবেদনসমূহ পুনৰ বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়ে। এই আপীলসমূহত উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগীক প্ৰত্যাহ্বান জনোৱা হৈছে। যিহেতু, এই আপীলসমূহত উত্থাপন কৰা বিষয়টো একেই, সেয়েহে এই গোচৰবোৰৰ একেলগে বিচাৰ কৰা হয় লগতে, একেটা ৰায়ৰে সামৰণি মৰা হয়।

এই বিচাৰৰ তথ্য বা ১৮ ডিচেম্বৰ, ১৯৭৮চনৰ আগতে জাৰি কৰা চৰকাৰী নিৰ্দেশনাবোৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই যেতিয়া, ৪৩৩-এ ধাৰাটো ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই আদালতে *মাৰু ৰাম বনাম ভাৰত চৰকাৰ* [১৯৯১] ১ এচ.চি.চি. ১০৭-ত ধাৰা ৪৩২ আৰু ৪৩৩এ, ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাই ৰাজ্য চৰকাৰৰ ক্ষমতা নিৰ্ধাৰণ কৰিছে যি, এতিয়া ধাৰা ৪৩৩এ-ৰ দ্বাৰা প্ৰদান কৰাৰ বাহিৰেও সম্প্ৰসাৰণ কৰিব নোৱাৰে। সেই তাৰিখৰ আগতে দোষী সাব্যস্ত লোকসকলক পূৰ্ব-পৰিপক্ক মুক্তি প্ৰাসংগিক চৰকাৰী নিৰ্দেশনা আৰু তেওঁলোকৰ দোষী সাব্যস্ত হোৱাৰ তাৰিখৰ ভিত্তিত বিবেচনা কৰিব লগা হৈছিল। ধাৰা ৪৩৩এ বলৱৎ হোৱাৰ পিছত দোষী সাব্যস্ত হোৱা ব্যক্তিসকলৰ ক্ষেত্ৰত আৰু এনেদৰে সেই ধাৰাৰ পৰিসৰৰ ভিতৰত

পৰে তেওঁলোকৰ গোচৰবোৰ ধাৰা ৪৩৩এ-ৰ সৈতে ধাৰাবাহিকভাৱে হিচাপে বিবেচনা কৰিব লাগিব আৰু যদিহে, যাবৎজীৱনত দোষীসকলক অধিক সুবিধা দিব লাগে তেন্তে এয়া এতিয়া কেৱল সংবিধানৰ ৭২ আৰু ১৬১ নং অনুচ্ছেদৰ অধীনতহে কৰিব পাৰি।

ইয়াৰ পূৰ্বে হাৰিয়ানা ৰাজ্যই ইয়াৰ হৈ প্ৰস্তুত কৰা নিয়ম আৰু জাৰি কৰা নিৰ্দেশনা অনুসৰি যাবৎজীৱন দোষীৰ পূৰ্ব- পৰিপক্ক মুক্তিৰ কথা বিবেচনা কৰি আছিল। ধাৰা ৪৩৩এ প্ৰণয়নৰ পিছত উদ্ভৱ হোৱা সঠিক আইনী স্থিতি আৰু *মাৰু ৰাম*ৰ গোচৰত এই আদালতৰ সিদ্ধান্তৰ সৈতে সংগতি ৰাখিবলৈ, হাৰিয়ানা ৰাজ্যই ইয়াৰ নীতিগত সিদ্ধান্ত আৰু নিৰ্দেশনা সংশোধন কৰি ঘোষণা কৰে যে, যদিও আজীৱন দোষীৰ পূৰ্ব- পৰিপক্ক মুক্তিৰ গোচৰবোৰ এতিয়াও ইয়াৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনাৰ দ্বাৰা পৰিচালিত হ'ব, কিন্তু ৪৩৩এ ধাৰাৰ অধীনৰ দোষীসকলৰ ক্ষেত্ৰত তেওঁলোকৰ গোচৰবোৰ ব্যক্তিগতভাৱে বিবেচনা কৰা হ'ব আৰু এনে গোচৰবোৰ জেইল মিনিষ্টাৰ আৰু মুখ্যমন্ত্ৰীৰ জৰিয়তে ৰাজ্যপালৰ ওচৰত উত্থাপন কৰা হ'ব, কাৰাবাসীসকলৰ সম্পূৰ্ণ পৰিচিতি আৰু ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ পৰামৰ্শৰ সৈতে, ভাৰতৰ সংবিধানৰ ১৬১নং অনুচ্ছেদৰ অধীনত আদেশৰ ৰায় আদিৰ প্ৰতিলিপিৰ সৈতে। এই গোচৰবোৰৰ ৰেকৰ্ড বা উচ্চ ন্যায়ালয়ৰ ৰায়বোৰে নিৰ্দেশনাবোৰত উক্ত পৰিৱৰ্তন কেতিয়া কৰা হৈছিল সেয়া স্পষ্ট নকৰে কিন্তু, এইটো দেখা যায় যে, এইটো ১৯৮২চনৰ কোনো সময়ত বা শেহতীয়াভাৱে ১৯৮৪চনৰ ২৭জুনত কৰা হৈছিল। স্পষ্টভাৱে, উত্তৰদাতা-দোষীৰ গোচৰবোৰ, যিসকল সকলো যাবৎজীৱন দোষী আৰু ধাৰা ৪৩৩এ-ৰ পৰিসৰৰ ভিতৰত পৰে তেওঁলোকক পৰিৱৰ্তিত নিৰ্দেশনা অনুসৰি বিবেচনা কৰাৰ প্ৰয়োজন আছিল কিয়নো তেওঁলোকক পূৰ্ব-পৰিপক্কতাৰে মুকলি কৰিব পৰা গৈছিল যদিহে,

সংবিধানৰ ১৬১নং অনুচ্ছেদৰ অধীনত ইয়াৰ ক্ষমতা প্রয়োগ কৰাৰ বাবে ৰাজ্য চৰকাৰে সেই দিশত এক নির্দেশ জাৰি কৰিছিল।

এই আদালতে *গোপাল বিনায়ক গডছে বনাম মহাৰাষ্ট্ৰ ৰাজ্য,* [১৯৬১] ৩ এচ. চি. আৰ. ৪৪০ আৰু *মাৰু ৰাম*ৰ গোচৰত ধাৰণা কৰা অনুসৰি, আজীৱন কাৰাদণ্ড ভোগ কৰা অপৰাধীয়ে মুক্তিৰ অধিকাৰ লাভ নকৰে, কিন্তু মুক্তি কেৱল উপযুক্ত চৰকাৰৰ দ্বাৰা ফৌজদাৰী প্রক্রিয়া সংহিতাৰ অধীনত প্রদান কৰা আদেশ বা সংবিধানৰ ৭২ বা ১৬১ নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্রয়োগ কৰি কৰা clemency(ক্ষমা) আদেশৰ ওপৰত অনুসৰণ কৰা হ'ব। এই আদালতে *মাৰু ৰাম*ত তলত উল্লেখ কৰা ধৰণে মন্তব্য কৰিছেঃ

> "যদিও ৰিমিচন মুঠ ২০বছৰলৈকে হয়, তথাপিও ৰাজ্য চৰকাৰে বন্দীজনক মুকলি কৰিব পাৰে বা নকৰিবও পাৰে আৰু আজীৱন কাৰাদণ্ডৰ বাকী অংশ ৰেহাই দিয়া এনে মুক্তি আদেশ গৃহীত নোহোৱালৈকে বন্দীজনে নিজৰ স্বাধীনতা দাবী কৰিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল- আজীৱন কাৰাদণ্ড আমৃত্যু কাৰাদণ্ডতকৈ কোনো গুণে কম নহয়। তদুপৰি, শাস্তি দুয়োক্ষেত্ৰতে একেই- আজীৱন কাৰাদণ্ড। লগতে ৰিমিচনত মুক্তিৰ কোনো অধিকাৰ নাই...... আৰু, বাধ্যতামূলক ১৪বছৰৰ কাৰাদণ্ডৰ দ্বাৰা ক্ষমা কৰাৰ কোনো নির্ভৰযোগ্য অধিকাৰ বাতিল কৰাও নহয়, আজীৱন কাৰাদণ্ড হৈছে গোটেই জীৱনৰ বাবে শাস্তি বুলি আমি উপলব্ধি কৰাৰ পিছত।"

এইদৰে এই আদালতে স্পষ্টভাৱে নির্ধাৰণ কৰিছে যে, আজীৱন দোষীয়ে ৰেহাই লাভ কৰি প্ৰাক-প্ৰাকৃতিকভাৱে মুকলি কৰি দিয়াৰ অধিকাৰ লাভ নকৰে। কিন্তু, যদি চৰকাৰে কোনো নিয়ম প্ৰস্তুত কৰিছে বা এনে দোষীসকলক সোনকালে মুকলি কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিছে তেন্তে সেই

নিয়ম বা আঁচনিসমূহক সংবিধানৰ ১৬১নং অনুচ্ছেদৰ অধীনত ইয়াৰ ক্ষমতা প্ৰয়োগৰ বাবে নিৰ্দেশনা হিচাপে গণ্য কৰিব লাগিব।

যদি, এইটো সঠিক আইনী স্থিতি হয় তেন্তে, কোনো আজীৱন অপৰাধীয়ে বৈধভাৱে দাবী কৰিব নোৱাৰে যে, তেওঁৰ গোচৰটো চৰকাৰী নীতি/নিৰ্দেশনা অনুসৰি বিবেচনা কৰা উচিত যি তেওঁক দোষী সাব্যস্ত কৰাৰ তাৰিখত বলৱৎ আছিল কিয়নো তেওঁ ঘোষণা কৰা অনুসৰি ৰেহাই লাভ কৰাৰ আৰু সেই অনুসৰি মুকলি কৰাৰ অধিকাৰ লাভ কৰিছিল। যদি চৰকাৰী নীতি অনুসৰি, প্ৰাসংগিক সময়ত বলৱৎ নিৰ্দেশনা অনুসৰি আজীৱন অপৰাধীয়ে ইতিমধ্যে নীতিগত সিদ্ধান্ত/নিৰ্দেশত উল্লেখ কৰা সময়ৰ বাবে শাস্তি ভোগ কৰিছে, তেন্তে তেওঁ লাভ কৰা একমাত্ৰ অধিকাৰ হ'ল- সংবিধানৰ ১৬১ নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগৰ কথা বিবেচনা কৰাৰ বাবে কাৰাগাৰ কৰ্তৃপক্ষই তেওঁৰ গোচৰটো সংশ্লিষ্ট কৰ্তৃপক্ষৰ আগত সময়মতে উত্থাপন কৰাৰ অধিকাৰ। সাধাৰণতে, যেতিয়া কোনো কৰ্তৃপক্ষক ইয়াৰ ক্ষমতা প্ৰয়োগ কৰিবলৈ আহ্বান জনোৱা হয়, যিটো সেইসময়ত প্ৰচলিত আইনী স্থিতি আৰু চৰকাৰৰ সিদ্ধান্ত/নিৰ্দেশনাৰ সৈতে ধাৰাবাহিকভাৱে কৰিব লাগিব। অৱশ্যে, এজন আজীৱন অপৰাধীয়ে নিৰ্দেশনা হিচাপে গণ্য কৰিবলগীয়া ৰেহাই আঁচনিৰ অধীনত উপলব্ধ কোনো সুবিধা হেৰুৱাব নোৱাৰাটো নিশ্চিত কৰিবলৈ, সংবিধানৰ ১৬১ নং অনুচ্ছেদৰ অধীনত ৰাজ্যপালৰ আগত তেওঁৰ গোচৰ উত্থাপন কৰাৰ তাৰিখটো তেওঁলোকৰ গোচৰসমূহ বিবেচনা কৰাৰ প্ৰাসংগিক তাৰিখ হিচাপে বিবেচনা কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়াটো ন্যায়সংগত আৰু উপযুক্ত হ'ব। উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশনা *মাৰু ৰামৰ* ক্ষেত্ৰত এই আদালতৰ সিদ্ধান্ত আৰু আমি এতিয়া গ্ৰহণ কৰা দৃষ্টিভংগীৰ সৈতে সুসংগত নহয় আৰু সেয়েহে ইয়াক আঁতৰাই ৰাখিব লাগিব।

সেই অনুসৰি, আমি এই আপীলসমূহৰ অনুমতি দিওঁ, উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন ৰায়সমূহ বাতিল কৰোঁ। ৰাজ্য চৰকাৰে ওপৰত উল্লেখ কৰা সঠিক আইনী স্থিতি অনুসৰি ধাৰা নং ৪৩৩-এ ফৌজদাৰী ধাৰাৰ অধীনত অহা উত্তৰদাতাসকলৰ আবেদনসমূহ পুনৰ বিবেচনা কৰিব। এই আদালতৰ নিৰ্দেশ প্ৰাপ্ত হোৱাৰ তাৰিখৰ পৰা ১৫দিনৰ ভিতৰত ৰাজ্য চৰকাৰক এনে কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

এন. জে.

আপীল অনুমোদিত।

.......................................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয়

কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”